**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-08-2026** **Time : 0900 Hrs**

***Assamese Morning Bulletin***
***Headlines***

----------------------------

১। ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণ।

২। ৰাজ্যৰ প্ৰতিখন জিলাতে কাইলৈ স্বাধীনতা দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ। খানাপাৰাত স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী।

৩। সমগ্ৰ দেশতে জনসাধাৰণৰ দেশাত্মবোধৰ চেতনাৰে উজ্জীৱিত কৰিবলৈ হৰ ঘৰ তিৰংগা অভিযান ৰূপায়ণ। গুৱাহাটীত আজি সন্ধিয়া মুখ্যমন্ত্ৰীৰ হৰ ঘৰ তিৰংগা যাত্ৰাত অংশগ্ৰহণ।

৪। ৰাজ্যৰ ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত। বানত মৃত্যুৰ সংখ্যা ১০৩ লৈ বৃদ্ধি।

*আৰু*

৫। নেডাৰলেণ্ডছ আৰু বেলজিয়ামত কাইলৈৰ পৰা পুৰুষ আৰু মহিলাৰ বিশ্বকাপ হকী। ভাৰত প্ৰথমখন খেলত বেল্‌ছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। আকাশবাণীয়ে সন্ধিয়া ৭ বজাৰ পৰা ৰাষ্ট্ৰপতিৰ ভাষণ পোনপটীয়াকৈ প্ৰচাৰ কৰিব। দূৰদৰ্শনৰ সকলো চেনেলযোগেও এই ভাষণ সম্প্ৰচাৰ কৰা হ'ব। হিন্দী আৰু ইংৰাজী ভাষণৰ ঠিক পাছতেই দূৰদৰ্শনৰ আঞ্চলিক কেন্দ্ৰসমূহে নিজ নিজ আঞ্চলিক ভাষাত ৰাষ্ট্ৰপতিৰ ভাষণ সম্প্ৰচাৰ কৰিব। আকাশবাণীয়ে নিশা চাৰে ৯ বজাত ৰাষ্ট্ৰপতিৰ ভাষণৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooooo

সমগ্ৰ দেশে কাইলৈ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিব। ৰাজ্যৰ ভিন্ন প্ৰান্ততো স্বাধীনতা দিৱসৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। মহানগৰীৰ খানাপাৰাত কেন্দ্ৰীয়ভাৱে স্বাধীনতা দিৱস উদযাপন কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাত স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰাৰ লগতে আৰক্ষীৰ অভিবাদন গ্ৰহণ কৰিব। খানাপাৰাত হ'বলগীয়া এই অনুষ্ঠানত পেৰেডৰ লগতে কেইবাটাও সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হ'ব। স্বাধীনতা দিৱসৰ প্ৰস্তুতি সন্দৰ্ভত গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাই এইদৰে কয় –

বাইট

গুৱাহাটী উচ্চ ন্যায়ালয়তো ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ আশুতোষ কুমাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পুৰণি চৌহদত পুৱা ৮ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

ৰাজ্যৰ প্ৰতিখন জিলা তথা সদৰতো স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি চলিছে। গোৱালপাৰা জিলা প্ৰশাসনে গোৱালপাৰা চহৰৰ জে টি এছ খেল পথাৰত কেন্দ্ৰীয়ভাৱে স্বাধীনতা দিৱস পালন কৰিব। অসম আৰক্ষী, গৃহৰক্ষী বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, সৈনিক স্কুলৰ লগতে আন আন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে পেৰেডত অংশ ল'ব।

ooooooo

ৰাজ্যৰ প্ৰতিখন জিলাতে জনসাধাৰণৰ দেশাত্মবোধৰ চেতনাৰে উজ্জীৱিত কৰিবলৈ হৰ ঘৰ তিৰংগা অভিযান পূৰ্ণগতিত ৰূপায়ণ কৰা হৈছে। গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰৰ পৰা খানাপাৰালৈ আজি বিয়লি ৫ বজাত হ'বলগীয়া হৰ ঘৰ তিৰংগা যাত্ৰাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই

অংশগ্ৰহণ কৰিব। আনহাতে, ডিব্ৰুগড়ৰ টেঙাখাটত কালি অনুষ্ঠিত তিৰংগা যাত্ৰাত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে ৰাজ্যৰ কেবিনেট মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে অংশগ্ৰহণ কৰে। এই যাত্ৰাত অংশগ্ৰহণ কৰি শ্ৰী সোণোৱালে কয়, যে তিৰংগা যাত্ৰা আমাৰ ৰাষ্ট্ৰীয় ঐক্য, দায়িত্ববোধ আৰু দেশৰ প্ৰতি থকা অগাধ শ্ৰদ্ধাৰ প্ৰকাশ।

ভাৰতীয় জনতা পাৰ্টীৰ উত্তৰ গুৱাহাটী মণ্ডল সমিতিয়ে কালি উত্তৰ গুৱাহাটীত বিশাল তিৰংগা যাত্ৰা উলিয়ায়। উত্তৰ গুৱাহাটীৰ মধ্যমখণ্ডৰ মণ্ডল কাৰ্যালয়ৰ পৰা উত্তৰ গুৱাহাটী বাৰোৱাৰী দুৰ্গা পূজা সমিতিৰ খেলপথাৰলৈ উলিওৱা ত্ৰিৰংগা যাত্ৰাত কেইবাশ লোকে অংশগ্ৰহণ কৰে।

ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমক সন্মান জনোৱাৰ উদ্দেশ্যে কালি পদযাত্ৰা অনুষ্ঠিত হয়।

এই পদযাত্ৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা থানা চাৰিআলি হৈ পুনৰ জিলা আয়ুক্ত কাৰ্যালয়লৈ উভতি আহে। জিলা উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱাই মুকলি কৰা পদযাত্ৰাত মহকুমা বিষয়া সমুজ্জ্বল বৰুৱা, অতিৰিক্ত জিলা আয়ুক্ত জুৰি দলে, ক্ৰীড়া আৰু সাংস্কৃতিক উন্নয়ন বিভাগৰ কেইবাগৰাকী বিষয়াৰ লগতে এন চি চি কেডেট আৰু ডিব্ৰুগড় জিলাৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। হৰ ঘৰ তিৰংগা অভিযানৰ অংশ হিচাপে ত্ৰিৰংগ পতাকা গৌৰৱেৰে প্ৰদৰ্শন কৰিবলৈ নাগৰিকসকলক উৎসাহিত কৰাৰ সমান্তৰালকৈ ঐক্য, দেশপ্ৰেম আৰু জাতীয় অখণ্ডতাৰ মূল্যবোধ ৰক্ষা কৰাৰ বাবে সকলোকে এই পদযাত্ৰাৰ জৰিয়তে আহ্বান জনোৱা হয়। আনহাতে, ডিব্ৰুগড় জিলা সদৰৰ বৈৰাগী মঠত থকা শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱ একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দেশপ্ৰেম, অখণ্ডতা, ভাতৃত্ব আৰু সমন্বয় গঢ়ি তোলাৰ লগতে দেশৰ স্বাধীনতা আন্দোলনৰ যুঁজাৰুসকলৰ আত্মত্যাগ তথা বলিদান সন্দৰ্ভত কালি বিশেষ দেশপ্ৰেমমূলক অনুষ্ঠান আয়োজিত হয়। শিক্ষাৰ্থীসকলৰ মাজত দেশপ্ৰেম সম্পৰ্কীয় বিভিন্ন প্ৰতিযোগিতা আৰু আজি শিক্ষানুষ্ঠানখনত দেশভক্তিমূলক অসমীয়া, হিন্দী আৰু ইংৰাজী ভাষাৰ কবিতা আবৃত্তি আৰু গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে।

ooooooo

ৰাজ্যৰ বান পৰিস্থিতি সুস্থিৰ হৈছে যদিও বানৰ বিভীষিকা এতিয়াও সম্পূৰ্ণৰূপে আঁতৰা নাই। পানী শুকাইছে যদিও বোকা, পলস আৰু ধ্বংসাৱশেষে প্ৰভাৱিত এলেকাসমূহত কদৰ্যময় পৰিস্থিতিৰ সৃষ্টি হৈছে। ৰাজ্যৰ ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৩৭০ খন গাঁৱৰ ৭৭ হাজাৰ ৫৪২ জন লোক প্ৰভাৱিত হোৱাৰ লগতে ৯ হাজাৰ ৯০৮ দশমিক ৮-৫ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বানত মৃত্যু হোৱা লোকৰ সংখ্যা ১০৩ হৈছেগৈ।

বিধানসভাৰ অধ্যক্ষ ৰণজিৎ দাসে কালি বানত বেয়াকৈ ক্ষতিগ্ৰস্ত চৰাইদেউ জিলাৰ চুমনী গাঁও পৰিদৰ্শন কৰে। শ্ৰী দাসে চুমনী গাঁৱৰ ৰাজহুৱা প্ৰেক্ষাগৃহত বান ক্ষতিগ্ৰস্ত জনসাধাৰণৰ সৈতে মত বিনিময় কৰাৰ লগতে অঞ্চলটোৰ বিভিন্ন সমস্যাৰ বুজ লয়। অধ্যক্ষগৰাকীৰ সৈতে সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ আৰু মাহমৰাৰ বিধায়ক সুৰুজ দিহিঙীয়া উপস্থিত থাকে। তেওঁলোকে বানত ক্ষতিগ্ৰস্ত ৰাইজৰ ঘৰ-দুৱাৰকে ধৰি অন্যান্য দিশসমূহ পৰ্যৱেক্ষণ কৰে। শ্ৰী দাসে বান প্ৰভাৱিত লোকসকলক চৰকাৰ তথা প্ৰশাসনে প্ৰয়োজনীয় সকলো সহায়-সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিয়ে। ৰাজ্য চৰকাৰে বান প্ৰভাৱিত এলেকাসমূহৰ বাবে বিশেষ চিন্তা-চৰ্চা কৰি আছে বুলি অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে।

বাইট (ৰঞ্জিত কুমাৰ দাস)

ইপিনে, বানৰ ফলত বন্ধ হৈ থকা নিউ তিনিচুকীয়া-গুৱাহাটী মূল ৰেলপথেৰে ২৪ দিনৰ অন্তত পুনৰ ৰেলৰ চলাচল আৰম্ভ হৈছে। তিনিচুকীয়া মণ্ডলৰ ৰেল প্ৰৱন্ধকে কালি এখন সংবাদ মেলত এই কথা সদৰি কৰে। প্ৰৱন্ধকগৰাকীয়ে জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে সতৰ্কতামূলক ব্যৱস্থা অব্যাহত থাকিব বুলি উল্লেখ কৰে।

বাইট (প্ৰৱন্ধক)

০০০০০০০

ধেমাজি জিলাৰ গোগামুখৰ অসম-অৰুণাচল সীমান্তৱৰ্তী মিংমাং বদতিত সংঘটিত গুলীচালনাৰ ঘটনাৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত কালি সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই ধেমাজিৰ বিধায়ক তথা মন্ত্ৰী ডাঃ ৰণোজ পেগুকে ধৰি কেইবাটাও সংগঠনৰ প্ৰতিনিধিৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। ধেমাজি জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত আটাছু, টাইপা, বীৰ লাচিত সেনা, অসম জাতীয়তাবাদী যুৱ সন্মিলন, অসম জাতীয়তাবাদী যুৱ পৰিষদ, সোণোৱাল কছাৰী ছাত্ৰ সন্থা, ঐক্যমঞ্চ আৰু অসমীয়া যুৱ মঞ্চকে ধৰি বহুকেইটা সংগঠনৰ প্ৰতিনিধিৰ লগতে চিচিবৰ গাঁৱৰ বিধায়ক জীৱন গগৈ আৰু জিলা প্ৰশাসনৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। মন্ত্ৰী শ্ৰীবৰাই কয়, যে অসম চৰকাৰে ইতিমধ্যে অৰুণাচল প্ৰদেশৰ সৈতে আলোচনাৰ মাধ্যমেৰে সীমা সমস্যা সমাধানৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। অসম আৰক্ষীয়েও ঘটনাটোৰ বাবে দায়ী ব্যক্তিসকলৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খান্দুৱেও এই ঘটনাৰ সৈতে জড়িতসকলৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীবৰাই সীমান্ত অঞ্চলত শান্তি, সম্প্ৰীতি আৰু ভাতৃত্ববোধ অটুট ৰাখি দল-সংগঠনসমূহক প্ৰতিবাদী কাৰ্যসূচী প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে দুয়োখন ৰাজ্যৰ জনসাধাৰণৰ মাজত শান্তি, সম্প্ৰীতি আৰু সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক অক্ষুণ্ণ ৰখাৰ বাবে সহযোগিতা আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

এই বৈঠকৰ পাছতে মিচিং ছাত্ৰ সংগঠন, টি এম পি কেই অৰুণাচলৰ বিৰুদ্ধে কালিৰে পৰা গ্ৰহণ কৰা অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী সাময়িকভাৱে স্থগিত ঘোষণা কৰে।

০০০০০০

ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ সংস্কাৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ গুৰুত্বপূৰ্ণ স্বীকৃতি লাভ কৰিছে। আয়ুস্মান ভাৰত, প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত চৰকাৰী চিকিৎসালয়সমূহে লাভ কৰা ধন, চিকিৎসালয়ৰ আন্তঃগাঁথনি, চিকিৎসা সঁজুলি আৰু ৰোগীৰ কল্যাণৰ বাবে পুনৰ-বিনিয়োগৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিষয়ক সংসদীয় স্থায়ী সমিতিয়ে বাস্তৱসন্মত আৰু সমগ্ৰ দেশত ৰূপায়ণযোগ্য আৰ্হি হিচাপে স্বীকৃতি দিছে। সমিতিখনে দেশৰ আন ৰাজ্যসমূহ চৰকাৰী চিকিৎসালয়সমূহেও যাতে এই আৰ্হি গ্ৰহণ কৰিব পাৰে তাৰ বাবে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ক প্ৰয়োজনীয় নীতি নিৰ্দেশনা প্ৰস্তুত কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰি এই স্বীকৃতিৰ বাবে সংসদীয় সমিতিৰ অধ্যক্ষ প্ৰফেচাৰ ৰাম গোপাল যাদৱ আৰু সমিতিৰ অন্য সদস্যসকলক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

জিলাই জিলাই হৰ ঘৰ তিৰংগা যাত্ৰাৰ আয়োজন, সংসদৰ সদ্যসমাপ্ত বৰ্ষাকালীন অধিবেশনৰ কালি অন্তিম দিনা ৩ৰ পৰা ৫ মিনিটৰ ভিতৰতে ১১খন বিধেয়ক গৃহীত, অচলাৱস্থাৰ মাজতে বৰ্ষাকালীন অধিবেশনৰ সামৰণি, মুখ্যমন্ত্ৰীয়ে গ্লাছগ' কমনৱেলথ্ গেমছত ৰূপৰ পদক বিজয়ী লাভলীনা বৰগোঁহাইক সম্বৰ্দ্ধনা জনোৱাৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠা অধিকাৰ কৰিছে

দৈনিক অসম কাকতে স্বাধীনতা দিৱসৰ পেৰেডত প্ৰথমবাৰৰ বাবে সংযোজন বিহুনৃত্য শিৰোনামেৰে কাইলৈ দেশজুৰি পালন হ'বলগীয়া ৮০ সংখ্যক স্বাধীনতা দিৱসৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

অসম-অৰুণাচল সীমান্তৱৰ্তী সীমান্তৱৰ্তী ধেমাজি জিলাৰ গোগামুখৰ মিংমাঙৰ বদতিত হোৱা অৰুণাচলীৰ নিৰ্বিচাৰ গুলীত অসমৰ ১১জন লোক গুৰুতৰভাৱে আহত হোৱাৰ বাতৰি দৈনিক জনমভূমি কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত, অসমীয়া প্ৰতিদিন কাকতেও একেটা বাতৰিক

প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিত স্থান দিছে। নিয়মীয়া বাৰ্তা কাকতে মন্ত্ৰী অতুল বৰা আৰু ডাঃ ৰণোজ পেগুৰো হোৱা বৈঠকৰ অন্তত টি এম পি কেই অৰুণাচলী দুৰ্বৃত্তৰ আতিশয্যৰ প্ৰতিবাদত ৰূপায়ণ কৰা পথ অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী সাময়িকভাৱে প্ৰত্যাহাৰ কৰা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কমনৱেল্থ গেমছত ৰূপৰ পদক বিজয়ী লাভলীনাক ৩০ লাখ টকাৰ চেক প্ৰদান কৰাৰ বাতৰি আমাৰ অসম কাকতে লাভলীনাক মুখ্যমন্ত্ৰীৰ সম্বৰ্দ্ধনা, ৩০ লাখ টকাৰ চেক শিৰোনামেৰে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। একেটা বাতৰিক অসমীয়া খবৰ কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দ্য আছম ট্ৰিবিউন কাকতে অসম-অৰুণাচল প্ৰদেশ সীমান্তত বৰ্ধিত উত্তেজনাৰ মাজতে দুয়োখন ৰাজ্যৰ কেইবাগৰাকীও সাংসদে শান্তি বৰ্তাই ৰাখিবলৈ আহ্বান জনোৱাৰ বাতৰি এম পিজ এপীল ফৰ পীচ, টকছ্ শিৰোনামেৰে প্ৰকাশ কৰিছে। দি চেণ্টিনেল কাকতে ধাৰাসাৰ বৰষুণৰ বাবে ১৯ জুলাইত নাগালেণ্ডত ভূমিসখলন হোৱা বুলি উত্তৰ পূব মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ প্ৰতিবেদনত প্ৰকাশ পোৱা বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

০০০০০০০

নেডাৰলেণ্ডছ্ আৰু বেলজিয়ামত কাইলৈ পুৰুষ আৰু মহিলাৰ বিশ্বকাপ হকী প্ৰতিযোগিতা আৰম্ভ হ'ব। নেডাৰলেণ্ডছত হ'বলগীয়া পুৰুষৰ হকী বিশ্বকাপত ভাৰত বেলজিয়াম নহয় — ৰেলছ্, ইংলেণ্ড আৰু পাকিস্তানৰ সৈতে একেটা গ্ৰুপতে আছে। কাইলৈ বিয়লি চাৰে চাৰি বজাত ভাৰতৰ পুৰুষ দলটো প্ৰথমখন খেলত ৱেলছ্ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে, ১৭ আগষ্টত ইংলেণ্ড আৰু ১৯ আগষ্টত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, বেলজিয়ামত হ'বলগীয়া মহিলা বিশ্বকাপত ভাৰতৰ গ্ৰুপত আছে চীন, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকা। মহিলা দলটোত ঝাৰখণ্ডৰ চালিমা টেটেই নেতৃত্ব দিছে।

০০০০০০০

সমাপ্ত